# **REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 28-03-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

সমগ্ৰ ৰাজ্যতে অহা ১ এপ্ৰিলৰ পৰা ১৭ জুলাইলৈকে স্বাস্থ্য মেলা অনুষ্ঠিত হ'ব। ইয়াৰ বাবে ৰাজ্যৰ স্বাস্থ্য বিভাগে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। ধেমাজি জিলাতো ৬৫ খন গাওঁ পঞ্চায়ত আৰু ২ খন পৌৰসভাত একোখনকৈ স্বাস্থ্য মেলা অনুষ্ঠিত হ'ব। ৰাজ্যৰ স্বাস্থ্য মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সেইদিনা ধেমাজিৰ জামুগুৰি পাঁচআলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চৌহদত হ'বলগীয়া স্বাস্থ্য মেলা মুকলি কৰিব। ধেমাজি জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ কুলেন চন্দ্ৰ বৰগোহাইয়ে আজি এখন সংবাদমেলত এইকথা জানিবলৈ দিয়ে। এই কাৰ্যসূচীত ধেমাজি জিলা অভিভাৱক মন্ত্ৰী প্ৰশান্ত ফুকনৰ লগতে সাংসদ প্ৰদান বৰুৱাই অংশগ্ৰহণ কৰাৰ কথা। এই স্বাস্থ্য মেলাত জিলাৰ শিক্ষা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, সমাজ কল্যান, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সহযোগত আয়োজন কৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলোৱা হৈছে বুলি জিলা অতিৰিক্ত আয়ুক্ত ড০ সঞ্জীৱ কুমাৰ ফুকনে জানিবলৈ দিছে। স্বাস্থ্য মেলাৰ জৰিয়তে স্বাস্থ্য বিভাগৰ বিভিন্ন চৰকাৰী আঁচনিৰ লগতে সংক্ৰামক ৰোগ চিনাক্তকৰণ, ৰোগ পৰীক্ষণ, খাদ্যাভ্যাস, শৰীৰ চৰ্চা, যোগাভ্যাস আদিৰ সন্দৰ্ভত জনসাধাৰণক অৱগত কৰা হ'ব।

কাৰ্বি আংলং জিলা স্বাস্থ্য সমিতি আৰু জিলা স্বায়ত্ত শাসিত পৰিষদৰ উদ্যোগত পৰিষদীয় সমষ্টিৰ ভিত্তিত স্বাস্থ্য মেলা অনুষ্ঠিত হ'ব। কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ নতুন সচিবালয়ত আয়োজিত সংবাদমেলত জিলা স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক বৰসিং ৰংপিয়ে এইকথা জানিবলৈ দিয়ে। জিলাখনৰ লুম্বাজং পৰিষদীয় সমষ্টিৰ অন্তৰ্গত লাংচলিয়েট উচ্চ মাধ্যমিক বিদ্যালয়ত এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। তেওঁ জানিবলৈ দিয়া অনুসৰি ২৬ টা পৰিষদীয় সমষ্টিতে একোখনকৈ স্বাস্থ্য মেলা অনুষ্ঠিত হ'ব। এই স্বাস্থ্য মেলাত চিকিৎসকসকলে জনসাধাৰণৰ স্বাস্থ্য পৰীক্ষা কৰাৰ অন্তত প্ৰতিগৰাকী ব্যক্তিকে একোখনকৈ স্বাস্থ্য পৰিচয়পত্ৰ প্ৰদান কৰিব। ০০০০

০০০০

যোৱা ২৫ মাৰ্চত গ্ৰেপ্তাৰ কৰা আৰু আন এটা গোচৰত কালি পুনৰ গ্ৰেপ্তাৰ কৰা গুৱাহাটীৰ এটা পোৰ্টেল চেনেলৰ সাংবাদিক তথা গুৱাহাটী প্ৰেছ ক্লাবৰ সহকাৰী সাধাৰণ সম্পাদক দিলোৱাৰ হুছেইন মজুমদাৰক আজি কামৰূপ মহানগৰ জিলাৰ প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশৰ আদালতে জামিন মঞ্জুৰ কৰে। অৱশ্যে জামিনৰ ধন জমা দিব নোৱাৰাৰ বাবে সাংবাদিকগৰাকী আজি নিশাটো ন্যায়িক জিম্মাতে কটাব লাগিব। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে চৰকাৰী বিষয়াৰ বিৰুদ্ধে আপত্তিজনক শব্দ ব্যৱহাৰৰ অভিযোগত এপেক্স বেংকৰ কাৰ্যালয়ৰ পৰা সাংবাদিকগৰাকীক গ্ৰেপ্তাৰ কৰা হৈছিল।

০০০০

অসম ৰাজ্যিক পৰিবহন নিগমে যোৰহাটৰ আন্তৰাজ্যিক বাছ আস্থানৰ চৌহদত এটা আন্তঃৰাষ্ট্ৰীয় মানৰ বাহন ফিটনেচ পৰীক্ষা কেন্দ্ৰৰ নিৰ্মাণ প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। অসম উদ্যোগিক আন্তঃগাঠনি উন্নয়ন নিগমৰ অধ্যক্ষ শান্তনু পুজাৰী আৰু জিলা আয়ুক্ত জয় শিৱানিয়ে আজি এই কেন্দ্ৰটো পৰিদৰ্শন কৰি সবিশেষ বুজ লয়। পৰিদৰ্শনকালত অসম ৰাজ্যিক পৰিবহন নিগমৰ পৰিচালন সঞ্চালক, জিলা পৰিবহন বিষয়াকে ধৰি কেইবাগৰাকীও ব্যক্তি উপস্থিত থাকে।

০০০০

চিকিৎসা শিক্ষা সঞ্চালকালয়, অসমৰ অধীনত পৰহিলৈ তৃতীয় বৰ্গৰ পদৰ বাবে ডিব্ৰুগড় জিলাৰ বিভিন্ন কেন্দ্ৰত হবলগীয়া পৰীক্ষা সন্দৰ্ভত জিলা দণ্ডাধীশ বিক্ৰম কৈৰীয়ে কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰিছে। এই অনুসৰি পৰীক্ষা কেন্দ্ৰৰ

এশ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত অকৰ্তৃত্বশীলভাৱে যিকোনো লোকৰ প্ৰৱেশ নিষিদ্ধ কৰা হৈছে। কেৱল পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া ছাত্ৰ-ছাত্ৰী, পৰীক্ষাত নিয়োজিত বিষয়া কৰ্মচাৰী তথা আইন শৃংখলা আৰু জৰুৰীকালীন সেৱাত নিয়োজিত চৰকাৰী বিষয়া কৰ্মচাৰীসকলকহে পৰীক্ষা কেন্দ্ৰৰ ভিতৰত প্ৰৱেশ কৰিবলৈ দিয়া হ'ব। পৰীক্ষা কেন্দ্ৰৰ  ভিতৰত পৰীক্ষাৰ্থীয়ে কেলকুলেটৰ, মোবাইল ফোন, যিকোনো ধৰণৰ যোগাযোগৰ ইলেকট্ৰনিক সজুলী বা কোনো ধৰণৰ আপত্তিজনক সামগ্ৰী লগত ৰখাটো নিষিদ্ধ কৰা হৈছে। পৰীক্ষাৰ সময়চোৱাত পৰীক্ষাকেন্দ্ৰৰ এশ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত যিকোনো অনুষ্ঠান, ৰেলী, আদিৰ বাবে অনুমতি প্ৰদান কৰা নহ'ব। কোনো ব্যক্তিয়ে এই নিষেধাজ্ঞা উলংঘা কৰিলে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

০০০০

মাজুলী উত্তৰ কমলাবাৰী সত্ৰৰ শংকৰদেৱ কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত আজিৰে পৰা লোক সংস্কৃতি সমাৰোহ ২০২৫ অনুষ্ঠিত হৈছে। সদৌ অসম মইনা পাৰিজাতৰ মহাৰজত জয়ন্তী উপলক্ষে মাজুলী জিলা মইনা পাৰিজাতৰ সৌজন্যত ৩ দিনীয়াকৈ এই সমাৰোহৰ আয়োজন কৰা হৈছে। ৰাজ্যৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী তথা সদৌ অসম মইনা পাৰিজাতৰ সভাপতি কেশৱ মহন্তই এই সমাৰোহৰ উদ্বোধন কৰে। উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য, বিধায়ক ভূৱন গামৰ লগতে সদৌ অসম মইনা পাৰিজাতৰ বিষয়ববীয়া তথা মইনাসকল উপস্থিত থাকে।

০০০০

কামৰূপ জিলাৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ত আজি কামৰূপ জিলাৰ জিলা পৰ্যায়ৰ নাৰ্কো ক'ৰডিনেশ্বন চেণ্টাৰ কমিটিৰ এখন সভা অনুষ্ঠিত হয়। সভাত জিলাখনত অনুজ্ঞাপত্ৰবিহীন ফাৰ্মাচীৰ নিয়ন্ত্ৰণ, নিচাযুক্ত দ্ৰব্যৰ প্ৰচলন ৰোধৰ বাবে ল'বলগীয়া ব্যৱস্থাৱলী সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। এই সভাত জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই জিলাখনত থকা নিচামুক্তি তথা পুনঃসংস্থাপন কেন্দ্ৰসমূহৰ পঞ্জীয়ন আৰু পৰিচালনা ব্যৱস্থা সুক্ষ্মভাৱে নিৰীক্ষণৰ  ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। চলিত মাহত জিলাখনত অনুজ্ঞাপত্ৰবিহীন ঔষধ বিক্ৰেতা প্ৰতিষ্ঠানৰ বিৰুদ্ধে অভিযান চলাই ৩ খন অনুজ্ঞাপত্ৰবিহীন ঔষধ বিক্ৰী কৰা প্ৰতিষ্ঠান বন্ধ কৰা আৰু দুখনৰ অনুজ্ঞাপত্ৰ বাতিলৰ বাবে পৰামৰ্শ দিয়া হয়।

০০০০

বি পি এফৰ মুৰববী হাগ্ৰামা মহিলাৰীয়ে আজি চিৰাং জিলাৰ বিজনী মহকুমাৰ আলুখুন্দাত আয়োজিত সমুহীয়া ইফতাৰত অংশগ্ৰহণ কৰি সমাগত বিটিচি নিৰ্বাচনত বিপিএফে ২৫ খন আসন লাভ কৰিব বুলি মন্তব্য কৰিছে। ইফতাৰ কাৰ্যসূচীত অংশ গ্ৰহণ কৰি শ্ৰীমহিলাৰীয় ইছলাম ধৰ্মাৱলম্বী ৰাইজৰ লগতে সকলো জাতি-জনগোষ্ঠীৰ মাজত শান্তি-সম্প্ৰীতি কামনা কৰিছে।

০০০০

বঙাইগাওঁ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আজি জিলা পথ সুৰক্ষা সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত নৱদীপ পাঠকৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত জিলাখনত পথ সুৰক্ষাৰ ব্যৱস্থা বৃদ্ধি কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয়।

০০০০

ঃঃ সমাপ্ত ঃঃ